এলুমিনিয়ামৰ বিষক্ৰিয়া

www.rkbassam.in

এলুমিনিয়ামৰ বিষক্ৰিয়া

কি হ'ব পাৰে?

এলুমিনিয়ামৰ বিষক্ৰিয়াই মাটিত গা-গছৰ বৃদ্ধি ৰোধ কৰে। কিয়নো এনে বিষক্ৰিয়াই মেগনেছিয়াম, কেলছিয়াম আৰু ফছফৰাছৰ নাটনিৰ সৃষ্টি কৰে।
ই খৰাং অবস্থাৰ চাপো বঢ়ায় আৰু উদ্ভিদৰ হৰমনৰ তাৰতম্য ঘটায়।

কিয় আৰু ক'ত হয়?

এলুমিনিয়ামৰ বিষক্ৰিয়া জলসিঞ্চনৰ ব্যবস্থা থকা ধানত তুলনামূলকভাৱে কম হয়।
দ মাটিৰ ধানখেতিত ইয়াৰ প্ৰাদুৰ্ভাৱ কম, কিন্তু যিকোনো মাটিত পানী দিয়াৰ পাছত মাটিৰ বিজাৰণ কমি যায়।

এলুমিনিয়ামৰ বিষক্ৰিয়া তলত উল্লেখ কৰা ধৰণৰ মাটিত হ'ব পাৰে ঃ

ওখ আম্লিক মাটিত য'ত বিনিময় কৰিব পৰা এলুমিনিয়াম সৰহকৈ থাকে। এলুমিনিয়ামৰ বিষক্ৰিয়া সচৰাচৰ মেগনাজিমৰ বিষক্ৰিয়াৰ লগত একেলগে হয়।
ছালফেট থকা আম্লিক মাটিত বিশেষকৈ পানীত নিমজ্জিত কৰাৰ কেইসপ্তাহমান পূৰ্বে কৰা হয়। ওখ মাটিৰ ধানত এই বিষাক্ততা হ'ব পাৰে। (উদাহৰণস্বৰূপে থাইলেণ্ডত)
লৌহ বিষক্ৰিয়াৰ লক্ষণসমূহ দেখা দিয়াৰ আগতে পানী জমা থকা মাটিত যেতিয়া অম্লতা বেছি হয় অথবা পি এইচ চাৰিতকৈ কম থাকে।

কেনেকৈ চিনাক্ত কৰিব পাৰি ঃ

পাতৰ বৰণহীনতা পৰীক্ষা কৰক।
পাতত সুমথিৰা হালধীয়া বৰণৰ শিৰাৰ মাজে মাজে ক্ল'ৰচিছ।
অতি বেছি হ'লে বৰণহীন অংশটোৰ মৃত্যু হয়।
পাতৰ শিৰাৰ মাজে মাজে হালধীয়াৰ পৰা বগা দাগ পৰি পাতৰ আগ অংশ মৰি যোৱা আৰু পাতৰ কাষবোৰো জ্বলি যোৱা।
সংবেদনশীল জাতৰ ক্ষেত্ৰত গা-গছৰ দুৰ্বল বৃদ্ধি আৰু আকাৰহীন শিপা দেখিলে পৰীক্ষা কৰক।

ইয়াৰ প্ৰয়োজনীয়তা কি?

আম্লিক ওখ মাটিত শস্যৰ উৎপাদন সীমিত কৰাত এলুমিনিয়ামৰ বিষক্ৰিয়াই মুখ্য ভূমিকা বহন কৰিব।

কেনেকৈ পৰিচালনা কৰিব পাৰি?

এলুমিনিয়ামৰ বিষক্ৰিয়া ৰোধ কৰিবলৈ তলত দিয়া ব্যবস্থাৱলী গ্ৰহণ কৰিব পাৰি ঃ
এই বিষক্ৰিয়া সহ্য কৰিব পৰা আৰু সহজলভ্য জাতৰ ব্যৱহাৰ। ইয়াৰ বাবে স্থানীয় কৃষি বিভাগৰ লগত যোগাযোগ কৰক।
পানী যোগান ধৰাৰ পাছত অম্লতা কমালে বা পি এইচ বঢ়ালে ধানৰ ৰোপন পিছুৱাই দিয়ক।
মাটিৰ বিজাৰণ অক্ষুণ্ণ ৰাখিবলৈ শস্যত পৰ্যাপ্ত পৰিমাণৰ পানী যোগান ধৰক।
মাটিৰ উপৰিভাগ শুকাবলৈ নিদিব ঃ
উপযুক্ত পৰিমাণৰ সাৰৰ যোগান ধৰক।
ধানৰ নৰা বা তাৰ ছাই পুনৰ মাটিলৈ ঘুৰাই অনাৰ ব্যৱস্থা কৰক যাতে পথাৰত ছিলিকা যোগান ধৰা হয়।
বৰ্তমান এলুমিনিয়াৰ বিষক্ৰিয়া দূৰ কৰাৰ কোনো ব্যৱহাৰিক ব্যৱস্থাপনা নাই যদিও সম্ভৱত নিম্নোক্ত বহন কৰিব পাৰি ঃ
মাটিৰ পি এইচ বৃদ্ধিৰ বাবে ১-৩ টন চূণ প্ৰতি হেক্টৰত প্ৰয়োগ কৰক। মাটি পৰীক্ষাৰ জৰিয়তে প্ৰয়োজনীয় পৰিমাণৰ চূণৰ মাত্ৰা নিৰূপণ কৰক।
মাটিৰ তলৰ ভাগৰ অম্লতা দূৰ কৰিবলৈ উপৰিভাগত প্ৰয়োগ কৰা চূণৰ পৰা কেলছিয়াম তললৈ নিঃসৰণ কৰক যাতে চহ কৰা মাটিৰ তলত শিপাৰ বৃদ্ধি উন্নত হয়। জিপচাম, সেউজীয়া সাৰ ব্যৱহাৰ কৰি মাটিত ছালফেট, নাইট্ৰেট আদি যোগান ধৰক যাতে এইবোৰে কেলচিয়ামৰ লগত তলৰ মাটিত যুক্তি হ'ব পাৰে। ইউৰিয়াৰ লগত বেছি অতিৰিক্ত চূণ প্ৰয়োগ কৰক যাতে 'নাইট্ৰিফিকেচন ৰ জৰিয়তে হোৱা অম্লতা প্ৰশমণ হয়।
ওখ আম্লিক মাটিত, মাটি খহনীয়া ৰোধ কৰা কৌশল ব্যৱহাৰ কৰক। প্ৰতি হেক্টৰত ১ টন ৰক ফছফেট ব্যৱহাৰ কৰি ফছফৰাছৰ অভাৱ প্ৰশমিত কৰক।

Assam Agribusiness and Rural Transformation Project (APART)

IRRI

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. Attribution – Non Commercial-Share Alike 3.0 (Unported)